অধ্যায় ৩ ঃ শ্রীমদ্ভগৱদ্‌গীতা - কাব্যগত আলোচনা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ কাব্যগত বিষয়

৩.৪ কেইটামান জানিবলগীয়া কথা

৩.৫ ওঠৰ (১৮) সংখ্যাটোৰ গুৰুত্ব

৩.৬ গীতাৰ শিক্ষণীয় বিষয়

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- ছন্দ আৰু অলংকাৰ আদি কাব্যগত বিষয়ৰ সামান্য ধাৰণা লাভ কৰিব
- উপনিষদ, ভক্ত, যোগ, ভক্তি আদি বিভিন্ন গুৰুত্বপূর্ণ ধাৰণাৰ লগত পৰিচিত হ'ব
- সমগ্র মহাভাৰতত ওঠৰ (১৮) সংখ্যাটোৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিব
- গীতাৰ শিক্ষণীয় বিষয় সম্বন্ধে জানিব।

৩.২ পৰিচয়

আপুনি ইতিমধ্যে শ্রীমদ্ভগৱদগীতাৰ মাহাত্ম্যৰ কথা জানিছে। এইখন গ্রন্থ যে সমগ্র ভাৰতীয় দর্শনৰ আধাৰ স্বৰূপ সেই বিষয়েও অবগত হৈছে। উক্ত অধ্যায়টিত এই শাস্ত্রখনৰ কাব্যগত দিশটো আলোচনা কৰা হ'ব। সংস্কৃতত কাব্যশব্দটো এটা বিশেষ অর্থত ব্যৱহাৰ হয়। শ্রীমদভগৱদ্‌গীতাখন মূলতঃ শাস্ত্রগ্রন্থ হৈও কেনেদৰে উত্তম কাব্যৰূপে স্বীকৃত হৈছে তাকেই বিশদভাৱে কোৱা হব উক্ত অধ্যায়টিত। তদুপৰি এই গ্রন্থখনত ব্যৱহাৰ হোৱা ছন্দ, অলঙ্কাৰ আদি কাব্যিক উপাদানৰ বিষয়েও আলোচনা কৰা হ'ব।

৩.৩ কাব্যগত বিষয়

"শ্রীমদ্‌ভগৱদ্‌গীতা" হৈছে সংস্কৃত ভাষাত ৰচিত অন্যতম মহান শাস্ত্র। আমি জানোঁ যে 'শাস্ত্র' আৰু 'কাব্য' হ'ল ভিন্ন দৃষ্টিভঙ্গীৰে ৰচনা কৰা দুই শ্রেণীৰ ৰচনা। শাস্ত্রৰ গাম্ভীর্য্য কাব্যত

নাথাকে। আনহাতে, কাব্যগত বৈশিষ্ট্যসমূহো শাস্ত্রত নাথাকে। কোনো এটা বিষয়ৰ আধাৰত ৰচিত শাস্ত্রসমূহত কাব্যৰ ৰসধর্মিতা নাথাকে। পিছে, শাস্ত্রৰ ৰচয়িতাসকলে কিছুমান কাব্যিক উপাদানক অস্বীকাৰ কৰিবও নোৱাৰে। সেয়েহে কিছুমান শাস্ত্র কাব্যধর্মিতাৰপৰা মুক্ত বুলি কব নোৱাৰি।

(ক) ছন্দ

'গীতা' শাস্ত্রখন ছন্দোৱদ্ধ ৰচনা। ইয়াৰ দ্বাদশ অধ্যায়ত ২০ টা শ্লোক আছে। শ্লোকসমূহ 'অনুষ্টুভ্' বা 'শ্লোক' নামৰ ছন্দত ৰচিত। এই ছন্দৰ লক্ষণ এনেধৰণে বর্ণিত হৈছে -

শ্লোকে ষষ্ঠং গুৰু জ্ঞেয়ং সর্বত্র লঘুপঞ্চমম্।
দ্বিচতুঃপাদয়োর্হ্রস্বং সপ্তমং দীর্ঘমন্যয়োঃ।।

'শ্লোক' বা 'অনুষ্টুভ্' নামৰ ছন্দৰ প্রতিটো শাৰীত আঠটাকৈ বর্ণ থাকে। ইয়াৰ ষষ্ঠ বর্ণটো 'গুৰু' আৰু 'পঞ্চম' বর্ণটো 'লঘু' হয়। সপ্তম বর্ণটো পর্য্যায়ক্রমে 'গুৰু' আৰু 'লঘু' হয়। মনত ৰখা ভাল যে 'শ্লোক' বা 'অনুষ্টুভ্' নামৰ ছন্দবিধৰ আন কেবাটাও ৰূপ আছে। পিছে আমি আলোচনা কৰা লক্ষণসমূহৰ বিশিষ্ট ৰূপটোৱেই সর্বাধিক প্রচলিত।

ছন্দঃশাস্ত্রৰ আচার্য্যসকলে বিধান দিছে যে শাস্ত্রৰ বাবে উপযোগী ছন্দবিধ হৈছে 'অনুষ্টুভ্' বা 'শ্লোক'। এই সন্দর্ভত 'সুবৃত্ততিলক' নামৰ ছন্দঃশাস্ত্রৰ ৰচয়িতা আচার্য্য ক্ষেমেন্দ্রৰ মত উল্লেখযোগ্য। ক্ষেমেন্দ্রই কৈছে -

শাস্ত্রং কুর্য্যাৎপ্রয়ত্নেন প্রসন্নার্থমনুষ্টুভা।
যেন সর্ৱোপকাৰায় যাতি সুস্পষ্টমেতুতাম্ ।।

(খ) অলংকাৰ

অলংকাৰে কাব্যৰ সৌন্দর্য্য বৃদ্ধি কৰে। শাস্ত্রত অলংকাৰ প্রয়োগৰ প্রতি বিশেষ গুৰুত্ব প্রদান কৰা নহয়। তথাপি শাস্ত্রকাৰসকলে তেওঁলোকৰ ৰচনাৰ সুৰুঙা পালে অলংকাৰ প্রয়োগৰ সুযোগৰ সদ্ব্যৱহাৰ কৰা দেখা যায়। মহাশাস্ত্র গীতাতো উপমা, ৰূপক প্রভৃতি সৰল অলংকাৰ সমূহৰ প্রয়োগ ঠায়ে ঠায়ে লক্ষ্য কৰা যায়। আমাৰ আলোচ্য পাঠটিৰ এটা শ্লোকত অলংকাৰৰ প্রয়োগ দেখা যায়। "তেষামহং সমুদ্ধর্ত্তা মৃত্যুসংসাৰ সাগৰাৎ" (৭ম শ্লোক) - ইয়াত মৰণশীল সংসাৰত সমুদ্রৰ ৰূপ আৰোপ কৰা হৈছে। সেয়েহে ইয়াত 'ৰূপক' নামক অলংকাৰৰ প্রয়োগ হৈছে। ৰূপক অলংকাৰৰ বৈশিষ্ট্যৰ বিষয়ে 'সাহিত্যদর্শণ' নামৰ গ্রন্থত কৰিৰাজ বিশ্বনাথে এনেদৰে কৈছে - "ৰূপকং ৰূপিতাৰোপাদ্ বিষয়ে নিৰপহ্নৱে"।

৩.৪ কেইটামান জানিবলগীয়া কথা

(ক) ভক্তি

'ভজ' ধাতুত 'ক্তিন্' প্রত্যয় যোগ হৈ 'ভক্তি' শব্দটো নিষ্পন্ন হয়। আনৰ প্রতি শ্রদ্ধাযুক্ত অনুভূতি বুজাবলৈ 'ভক্তি' শব্দটো আমি ব্যৱহাৰ কৰোঁ। যেনে - পিতৃ-মাতৃৰ প্রতি 'ভক্তি', শিক্ষকৰ প্রতি 'ভক্তি' ইত্যাদি। আধ্যাত্মিক তথা দার্শনিক বিষয়ত পৰম পুৰুষ ভগৱানৰ প্রতি শ্রদ্ধাপূর্ণ

মানসিক অৱস্থা বুজাবলৈ 'ভক্তি' শব্দটো ব্যৱহাৰ কৰা হয়। হিন্দুধর্মীয় বিশ্বাসৰ পৰম্পৰাত অনেক দেৱ-দেৱীৰ প্রসঙ্গ আছে। সকলো দেৱ-দেৱীৰ প্রতি অনুৰাগ বুজাবলৈ 'ভক্তি' শব্দটো সাধাৰণতে ব্যৱহাৰ কৰা হয়। 'শাণ্ডিল্যসূত্র' নামৰ গ্রন্থত ভক্তিৰ সংজ্ঞা এনেধৰণে দিয়া হৈছে - "সা (ভক্তিঃ) পৰানুৰক্তিৰীশ্বৰে", অর্থাৎ ঈশ্বৰৰ প্রতি পৰম অনুৰাগ বা আসক্তিয়েই ভক্তি। 'নাৰদভক্তিসূত্র' নামৰ পুথিত ভক্তিৰ স্বৰূপৰ বিষয়ে কোৱা হৈছে যে ঈশ্বৰৰ প্রতি চৰম প্রেমময় অৱস্থা হ'ল ভক্তি, ভক্তিৰ স্বৰূপ অমৃতময় - "সা তস্মিন্ পৰমপ্রেমৰূপা, অমৃতস্বৰূপা চ" (১.১.২/৩)। যদিওৱা সকলো দেৱ-দেৱীৰ প্রতি শ্রদ্ধাপূর্ণ মনোভাৱ বুজাবলৈ 'ভক্তি' শব্দটো ব্যৱহাৰ কৰা হয়, বৈষ্ণৱ পৰম্পৰাত পিছে পৰম পুৰুষ ভগৱান বিষ্ণুৰ প্রতি, বিশেষকৈ ভগৱানৰ 'কৃষ্ণ' ৰূপৰ প্রতি থকা অবিচ্ছিন্ন শ্রদ্ধাকহে 'ভক্তি' শব্দটোৱে বুজায়। শ্রীৰূপ গোস্বামীৰ 'ভক্তিৰসতৰঙ্গিনী' নামৰ গ্রন্থত সেয়েহে শ্রেষ্ঠ ভক্তিৰ স্বৰূপ বর্ণনা কৰি কোৱা হৈছে -

অন্যাভিলষিতশূন্যং জ্ঞানকর্মাদ্যনাবৃতম্।
আনুকূল্যেন কৃষ্ণানুশীলনং ভক্তিৰুত্তমা।। (১.১.১১)

অর্থাৎ, সকলো প্রকাৰৰ কামনা-বাসনাৰ পৰা মুক্ত হৈ, জ্ঞান আৰু কর্মৰ উর্দ্ধত থাকি, অনুকূল মানসিকতাৰে 'কৃষ্ণ' চিন্তাই শ্রেষ্ঠ ভক্তি। ভাগৱতপুৰাণত 'ভক্তি'ৰ নটা অঙ্গ বা অৱস্থাৰ বিষয়ে কোৱা হৈছে। সিবিলাক হ'ল - ভগৱানৰ কথা শ্রৱণ, কীর্ত্তন, স্মৰণ, পাদসেৱন, অর্চন , বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন।

শ্রৱণং কীর্ত্তনং বিষ্ণোঃ স্মৰণং পাদসেৱনম্।
অর্চনং বন্দনং দাস্যং সখ্যমাত্মনিবেদনম্।। (৭.৫.২৩)

ভগৱানৰ যিসকল পৰম ভক্ত, তেওঁলোকে মাথোন নিজৰ মনত ভগৱানৰ প্রতি নিৰৱচ্ছিন্ন 'ভক্তি' ভাৱহে জাগৃত হৈ থকা বিচাৰে। অন্য কোনো বিষয়লৈ তেওঁলোকৰ মনোযোগ নাই, তেওঁলোকে আনকি মুক্তি বা মোক্ষ পাবলৈও কামনা নকৰে। ভাগৱতপুৰাণৰ আঁত ধৰি মহাপুৰুষ মাধৱদেৱে সেয়েহে কৈছে -

মুক্তিত নিস্পৃহ যিটো সেহি ভকতকো নমো
ৰসময়ী মাগোহো ভকতি।

(খ) যোগ

'যুজ্' ধাতুত 'ঘঞ্' প্রত্যয় যোগ হৈ 'যোগ' শব্দটো সাধিত হয়। বিভিন্ন অর্থত এই শব্দটো ব্যৱহাৰ কৰা হয়। 'সংলগ্ন কৰা' অর্থত সাধাৰণতে শব্দটো ব্যৱহাৰ কৰা হয়। শব্দটোৰ আন কেইটামান প্রসিদ্ধ অর্থ এনেধৰণৰ -

পাবলগীয়া ধন আদি পদার্থ পোৱা বুজাবলৈ 'যোগ' পদটো ব্যৱহাৰ কৰা হয় - 'অপ্রাপ্তপ্রাপণং যোগঃ'। 'গীতা'ত এই অর্থত 'যোগ' শব্দটি ব্যৱহাৰ হৈছে। ইয়াৰ লগত সততে সংযুক্ত শব্দটো হ'ল 'ক্ষেম'। ইয়াত 'ক্ষেম' পদটো প্রাপ্ত পদার্থৰ ৰক্ষণ বা পৰিপালন বুজায়। তুলনীয় - 'যোগক্ষেমং বহাম্যহম্'। (গীতা)

'গীতা' ও 'যোগ' পদটো বিভিন্ন অর্থত ব্যৱহাৰ হোৱা দেখা যায়। কর্ম সাধনৰ উপায় বা

কৌশল বুজাবলৈ 'যোগ' পদটি ব্যৱহাৰ হৈছে - 'যোগঃ কর্মসু কৌশলম্'। আনহাতে 'যোগস্থ' বুলিলে গীতাত সুখ-দুখ, কৃতকার্য্যতা-পৰাজয় আদিত অবিচল হৈ থকা অৱস্থা বুজায়।

পতঞ্জলিকৃত যোগদর্শনত চিত্ত সংযত কৰিব পৰা অৱস্থাক 'যোগ' বুলি কোৱা হৈছে - 'যোগঃ চিত্তবৃত্তিনিৰোধঃ'। যম, নিয়ম, আসন, প্রাণায়াম, প্রত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি - এই আঠটা হ'ল যোগৰ অঙ্গ। বহুক্ষেত্রত অষ্টম অঙ্গটোকেই অর্থাৎ 'সমাধি'কেই যোগ বুলি কোৱা হয়।

(গ) ভক্ত

'ভজ্' ধাতুত 'ক্ত' প্রত্যয় যোগ হৈ 'ভক্ত' শব্দটো সাধিত হৈছে। যাৰ অন্তৰত ভগৱানৰ প্রতি ভক্তিভাৱ আছে, তেঁৱেই ভক্ত। ভগৱানৰ প্রতি প্রীতিভাৱ পোষণ কৰা ব্যক্তিকেই ভক্ত বোলা হয়। 'গীতা' তথা 'ভাগৱত' আদি শাস্ত্রত কোৱা হৈছে যে প্রকৃত ভক্তই সামীপ্য, সার্ষ্টি, সাৰূপ্য, সাযুজ্য আদি মুক্তিও নিবিচাৰে। 'ভক্তি'ত বাদে অইন কোনো বিষয়েই প্রকৃত ভক্তৰ কাম্য নহয়। আমাৰ আলোচিত পাঠত ভক্তৰ স্বৰূপ সম্যক্‌ভাৱে বর্ণিত হৈছে।

(ঘ) অধিবিদ্যা

দর্শনশাস্ত্রৰ শ্রেণীবিশেষক অধিবিদ্যা বোলা হয়। দৃশ্যমান জগৎ তথা এই বিশ্বৰ বহির্ভাগৰ উৎপত্তি-স্থিতি, ইহঁতৰ পাৰস্পৰিক সম্পর্ক, শৰীৰ-মন-আত্মা আদিৰ অস্তিত্ব তথা অস্তিত্বৰ অর্থ আৰু মূল্য প্রভৃতি বিষয়ৰ সুসংহত আলোচনাসমৃদ্ধ শাস্ত্রকেই অধিবিদ্যা বোলা হয়। প্রাচ্য আৰু পাশ্চাত্যৰ দার্শনিক তত্ত্বসমূহত অধিবিদ্যা হ'ল অন্যতম মুখ্য আলোচনীয় বিষয়।

(ঙ) নীতিশাস্ত্র

'নীতি' শব্দটোৱে বিভিন্ন অর্থ বুজায়। সাধাৰণ অর্থত নীতি বুলিলে আমি কোনো 'নিয়ম'ৰ কথা বুজোঁ। নীতিশাস্ত্র বুলি অভিহিত গ্রন্থসমূহত তেনেকুৱা কিছুমান 'নিয়ম'ৰ কথাই প্রত্যক্ষ বা পৰোক্ষভাৱে আলোচিত হয়। যেনে - চাণক্যনীতি, শুক্রনীতি, কামন্দকীয়নীতি আদি। 'গীতা'ৰ সন্দর্ভত নীতিশাস্ত্র বুলিলে মানুহৰ সামগ্রিক জীৱনবোধৰ প্রমূল্যসমূহৰ বিজ্ঞাপক বিষয়সমূহৰ আলোচনাক বুজোৱা হৈছে।

(চ) ব্রহ্মবিদ্যা

জগতৰ পৰম সত্য তথা চৰম সত্তা হিচাপে বেদৰ অন্তর্গত উপনিষদ্‌সমূহত 'ব্রহ্ম'ৰ সত্যতা প্রতিপাদন কৰা হৈছে। দৰাচলতে, বহু দেৱতাৰ কথা বর্ণনা থাকিলেও বেদৰ মন্ত্রভাগতো এক অবিনশ্বৰ দেৱতাকহে মুখ্য বুলি কোৱা হৈছে। উপনিষদত সেয়াই ব্রহ্ম। ব্রহ্ম-তত্ত্বৰ আলোচনাৰে পৰিপূর্ণ বাবে উপনিষদক ব্রহ্মবিদ্যা বুলি কোৱা হয়।

(ছ) যোগশাস্ত্র

'যোগ' শব্দটোৱে বহুতো অর্থ বহন কৰে। 'গীতা'ত কোৱা হৈছে সাফল্য-অসাফল্যত সমানভাৱে থাকিব পৰাটোৱেই যোগ (২.৪৮)। এই যোগেই হ'ল মোক্ষলাভৰ উপায় - "যোগঃ কর্মসু কৌশলম্" (২.৫০) মানৱ-জীৱনৰ অন্তিম পুৰুষার্থ হ'ল মোক্ষ। এই মোক্ষলাভৰ বিষয়ে গীতাই সন্ধান দিছে বাবে গীতাক যোগশাস্ত্র বোলা হয়।

(জ) ভাগৱতপুৰাণ

ওঠৰখন মহাপুৰাণৰ ভিতৰত 'ভাগৱতপুৰাণ' অন্যতম। একলাখ শ্লোকৰ সমষ্টি বাবে এই পুৰাণখনক 'শাতসাহস্ৰীসংহিতা' বুলিও কোৱা হয়। বৈষ্ণৱ-পুৰাণ সমূহৰ ভিতৰতেই নহয়, সমগ্ৰ পুৰাণ সাহিত্যৰ ভিতৰত ভাগৱতপুৰাণৰ মান্যতা অধিক। সেয়েহে ইয়াক 'পুৰাণাৰ্ক' বা 'পুৰাণসূৰ্য্য' বুলি কোৱা হয়। পৰম পুৰুষ, ভগৱান বিষ্ণুৰ বিভিন্ন অৱতাৰৰ বিষয়ে বিস্তৃত বৰ্ণনা থাকিলেও বিষ্ণুৰ পূৰ্ণাৱতাৰ শ্ৰীকৃষ্ণৰ মহিমা এই পুৰাণখনত প্ৰতিষ্ঠা কৰা হৈছে। ভাৰতবৰ্ষৰ সমগ্ৰ প্ৰৱাহিত বৈষ্ণৱ ধৰ্মীয় - আধ্যাত্মিক পৰম্পৰাৰ অনুগত সকলো সম্প্ৰদায়ৰ লোকে ভাগৱত পুৰাণক একমাত্ৰ প্ৰামাণ্য গ্ৰন্থ হিচাপে গণ্য কৰে। এই মহাপুৰাণখনত ভক্তিবাদ ধাৰণা প্ৰকটভাৱে চৰ্চিত হৈছে।

(ঝ) যোগদৰ্শন

মহৰ্ষি পতঞ্জলি যোগদৰ্শনৰ প্ৰবক্তা। তেওঁৰ 'যোগসূত্ৰ' নামৰ গ্ৰন্থখন যোগদৰ্শনৰ মূল শাস্ত্ৰ। পতঞ্জলিয়ে স্পষ্টভাৱে কৈছে যে আমাৰ চিত্তৰ (মনৰ) ক্ৰিয়া - কলাপ নিয়ন্ত্ৰিত কৰাটোৱেই যোগ। যোগৰ আঠটা অৱস্থাৰ কথা কোৱা হৈছে। সিবিলাক হ'ল - যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি। 'অষ্টাঙ্গযোগ' শব্দটোৱে এই আঠটা যোগাৱস্থাক বুজায়।

(ঞ) সাংখ্যদৰ্শন

মহৰ্ষি কপিলকৃত দৰ্শনক সাংখ্যদৰ্শন বুলি জনা যায়। 'সংখ্যা' শব্দটোৰপৰা 'সাংখ্য' পদটো নিষ্পন্ন হৈছে। কপিলমুনিৰ এই দৰ্শনত পঞ্চবিংশতিসংখ্যক তত্ত্বৰ আলোচনা আছে বাবে ইয়াক সাংখ্যদৰ্শন বোলা হয়। এই পঞ্চবিংশতি বা পচিশটা তত্ত্ব হ'ল - মূলপ্ৰকৃতি, বিকৃতি অৰ্থাৎ মহৎ (বুদ্ধি), অহঙ্কাৰ, পঞ্চতন্মাত্ৰ (শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ), পঞ্চজ্ঞানেন্দ্ৰিয় (চক্ষু, কৰ্ণ, নাসিকা, জিহ্বা, ত্বক্), পঞ্চকৰ্মেন্দ্ৰিয় (বাক্, পাণি, পাদ, পায়ু, উপস্থ), মন, পঞ্চমহাভূত (ক্ষিতি, অপ্, তেজস্, মৰুৎ, ব্যোম) আৰু প্ৰকৃতিবিকৃতিৰপৰা ভিন্ন পুৰুষ।

(ট) উপনিষদ

'উপনিষদ' শব্দটোৰ ব্যুৎপত্তি এনেদৰে দেখুওৱা হয় - "উপ - নি + সদ্ + ক্বিপ্"। 'সদ্' ধাতুৰ অৰ্থ হ'ল 'জীৰ্ণ কৰা', 'বিনাশ কৰা' বা 'যোৱা'। 'নিঃশেষ' বা 'নিশ্চিত' অৰ্থত 'নি' উপসৰ্গটো ব্যৱহাৰ কৰা হয়। আনহাতে 'উপ' শব্দৰ অৰ্থ 'সমীপ' বা 'ওচৰ'। গুৰুৰ ওচৰত অধ্যয়ন কৰা যি বিদ্যাই মানুহৰ জন্ম-মৃত্যুৰ কাৰণ 'অজ্ঞান' বা 'অবিদ্যা'ক 'নিঃশেষ' বা সম্পূৰ্ণভাৱে জীৰ্ণ বা বিনাশ কৰে, সেয়াই উপনিষদ। উল্লেখযোগ্য যে উপনিষদসমূহক কোনো ধৰ্মগ্ৰন্থ বুলিব নোৱাৰি। দৰাচলতে এইবোৰ হ'ল গভীৰ তত্ত্বসম্বলিত দাৰ্শনিক গ্ৰন্থ। উপনিষদসমূহ বৈদিক সাহিত্যৰ অন্তৰ্গত। প্ৰতিখন বেদৰ অন্তৰ্গত ব্ৰাহ্মণ আৰু আ�ৰণ্যক নামৰ গ্ৰন্থ থকাৰ দৰে, উপনিষদ গ্ৰন্থও আছে। কোৱা হয় যে চাৰিখন বেদৰ সৈতে সংবদ্ধ মুঠ ১১৮০ খন উপনিষদ আছে। ঋগ্ বেদৰ ২১ খন, যজুৰ্বেদৰ ১০৯ খন, সামবেদৰ ১০০০ খন আৰু অথৰ্ববেদৰ ৫০ খন উপনিষদ আছে বুলি কোৱা হয়। অৱশ্যে ইবিলাকৰ ভিতৰত ১০৮ খন উপনিষদহে সুলভ আৰু প্ৰখ্যাত। প্ৰতিখন বেদৰ সৈতে জড়িত মুখ্য উপনিষদ কেইখন হ'ল -

ঋগ্‌বেদ = ঐতৰেয়, কৌষীতকি

যজুর্বেদ = মহানাৰায়ণ, মৈত্রায়ণ, তৈত্তিৰীয়, কঠ, শ্বেতাশ্বতৰ

সামবেদ = ছান্দোগ্য, কেন

অথর্ববেদ = মুণ্ডক, মাণ্ডূক্য, প্রশ্ন।

উপনিষদসমূহক 'পৰাবিদ্যা' বুলি কোৱা হয়। যি বিদ্যাৰদ্বাৰা অক্ষৰ (বিনাশৰহিত) ব্রহ্মৰ বিষয়ে জানিব পাৰি তাকেই 'পৰাবিদ্যা' বোলা হয়। সেয়েহে, বেদৰ সৈতে প্রত্যক্ষ সম্বন্ধ নথকা কোনো গ্রন্থত যদিহে পৰম ব্রহ্মৰ তত্ত্ব আলোচনা কৰা হয়, সেই গ্রন্থকো 'উপনিষদ' বা 'পৰাবিদ্যা' বুলি কোৱা হয়। সেই অর্থতেই শ্রীমদ্‌ভগৱদ্‌গীতাকো 'উপনিষদ' বুলি কোৱা হয়। মনত ৰখা ভাল যে 'উপনিষদ' সমূহক 'ৰহস্য' বুলিও কোৱা হয়। বেদৰ প্রতিপাদ্য মুখ্য তত্ত্ব বা ৰহস্য এই গ্রন্থসমূহত নিহিত হৈ আছে বাবেই 'উপনিষদ' সমূহক 'ৰহস্য' বুলি জনা যায়। বেদান্ত দর্শনৰ মূল আকৰগ্রন্থ হৈছে উপনিষদ। বেদান্ত বুলিলেও উপনিষদক বুজা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ **খালী ঠাই পূৰণ কৰক -**

(ক) গীতাৰ দ্বাদশ অধ্যায়ত ..... টা শ্লোক আছে।

(খ) দ্বাদশ অধ্যায়ৰ শ্লোকসমূহ ..... ছন্দত ৰচিত।

(গ) ক্ষেমেন্দ্রই ৰচনা কৰা ছন্দঃশাস্ত্রখনৰ নাম ..... ।

(ঘ) অলংকাৰে কাব্যৰ ..... বৃদ্ধি কৰে।

প্রশ্ন নং ২ঃ 'ভক্তি' শব্দটো কেনেদৰে নিষ্পন্ন হৈছে?

.....

প্রশ্ন নং ৩ঃ "ভক্তিৰসতৰঙ্গিণী" নামৰ গ্রন্থখন কোনে ৰচনা কৰিছিল।

.....

প্রশ্ন নং ৪ঃ ভাগৱত পুৰাণত ভক্তিৰ কেইটা অংগৰ কথা আছে?

.....

প্রশ্ন নং ৫ঃ "যোগ" শব্দটো কেনেদৰে সাধিত হয়?

.....

৩.৫ ওঠৰ (১৮) সংখ্যাটোৰ গুৰুত্ব

সংস্কৃত 'অষ্টাদশ' (অষ্ট = আঠ, দশ = দহ) শব্দটো অসমীয়া ভাষাত ওঠৰ হৈছে। ওঠৰ (১৮) সংখ্যাটো সংস্কৃত বাঙ্‌ময়ত অতি তাৎপর্য্যপূর্ণ বুলি বিবেচিত হৈ আহিছে। যেনে, "**অষ্টাদশধান্য**" বুলি ওঠৰবিধ বিশেষ শস্যক বুজোৱা হয়। এই ওঠৰবিধ শস্যৰ সংস্কৃত নামবোৰ এনেধৰণৰ - যৱ, গোধূম, ধান্য, তিল, কঙ্গু, কুলত্থ, মাষ, মুদ্‌গ, মসূৰ, নিষ্পাৱ, শ্যামাক, সর্ষপ,

গবেধুক, নীবাৰ, আঢ়কী, সতীনক, চণক আৰু চীনক। সেইদৰে, '**অষ্টাদশবিদ্যা**' বুলি ক'লে ওঠৰবিধ শাস্ত্ৰৰ কথা বুজোৱা হয়। সিবিলাক হ'ল - চাৰিবেদ (ঋক্, যজুঃ, সাম আৰু অথর্ব), ছয়বিধ বেদাঙ্গ (শিক্ষা, কল্প, ব্যাকৰণ , নিৰুক্ত, ছন্দ, জ্যোতিষ), মীমাংসা, ন্যায়, ধর্মশাস্ত্র, পুৰাণ, আয়ুর্বেদ, ধনুর্বেদ, গান্ধর্ববেদ আৰু অর্থশাস্ত্র। স্মৃতিশাস্ত্রত ঋণদান, নিক্ষেপ প্রভৃতি "**অষ্টাদশবিবাদপক্ষ**"**ৰ** (objects of litigation) উল্লেখ আছে। সেইদৰে, ওঠৰখন "**মহাপুৰাণ**" আছে। সিবিলাক হ'ল - ব্রহ্ম, পদ্ম, বিষ্ণু, বায়ু, ভাগৱত, নাৰদীয়, মার্কণ্ডেয়, অগ্নি, ভৱিষ্য, ব্রহ্মবৈৱর্ত্ত, লিঙ্গ, বৰাহ, স্কন্দ, বামন, কূর্ম, মৎস্য, গৰুড় আৰু ব্রহ্মাণ্ড। আকৌ ওঠৰখন পুৰাণক "**অষ্টাদশ-উপপুৰাণ**" বুলি কোৱা হৈছে। সিবিলাক হ'ল - সনৎকুমাৰ, নৰসিংহ, বৃহন্নাৰদীয়, শিৱধর্ম, দুর্বাসা, কপিল, মানৱ, উশনস্, বৰুণ, কালিকা, সাম্ব, মহেশ্বৰ, কুমাৰ, সৌৰ, পৰাশৰ, দেৱীভাগৱত, বশিষ্ঠ আৰু ভার্গৱ। অৱশ্যে উপপুৰাণসমূহৰ তালিকাৰ সন্দর্ভত মত পার্থক্য আছে। '**দৃশ্যকাব্য**'ৰ '**উপৰূপক**' শ্রেণীৰ অন্তর্গত নাট্যৰচনাও ওঠৰ প্রকাৰৰ। সিবিলাক হ'ল - নাটিকা, ত্রোটক, গোষ্ঠী, সট্টক, নাট্যৰাসক, প্রস্থান, উল্লাপ্য, কাব্য, প্রেঙ্ক্ষণ, ৰাসক, সংলাপক, শ্রীগদিত, শিল্পক, বিলাসিকা, দুর্মল্লিকা, প্রকৰণী, হল্লীশ আৰু ভাণিকা। বেদব্যাস প্রণীত 'মহাভাৰত' ওঠৰটা "**পর্ব**" ত বিভক্ত। মহাভাৰতৰ ওঠৰটা পর্বৰ নাম এনেধৰণৰ - আদি, সভা, বন, বিৰাট, উদ্যোগ, ভীষ্ম, দ্রোণ, কর্ণ, শল্য, সৌপ্তিক, স্ত্রী, শান্তি, অনুশাসন, আশ্বমেধিক, আশ্রমবাসিক, মৌসল, মহাপ্রস্থানিক আৰু স্বর্গাৰোণপর্ব। মহর্ষি বেদব্যাসপ্রণীত মহাভাৰতৰ ভীষ্মপর্বৰ অন্তর্গত "**শ্রীমদ্‌ভগৱদ্‌গীতা**"তো ওঠৰটা অধ্যায় আছে। গীতাৰ ওঠৰটা অধ্যায়ৰ নামবোৰ হ'ল - অর্জুনবিষাদযোগ, সাংখ্যযোগ, কর্মযোগ, জ্ঞানযোগ, কর্মসন্ন্যাসযোগ, অভ্যাসযোগ, জ্ঞানবিজ্ঞানযোগ, অক্ষৰব্রহ্মযোগ, ৰাজবিদ্যা-ৰাজগুহ্যযোগ, বিভূতিযোগ, বিশ্বৰূপদর্শনযোগ, ভক্তিযোগ, ক্ষেত্রক্ষেত্রজ্ঞবিভাগযোগ, গুণত্রয়বিভাগযোগ, পুৰুষোত্তমযোগ, দৈৱাসুৰসম্পদ্‌বিভাগযোগ, শ্রদ্ধাত্রয়বিভাগযোগ আৰু মোক্ষযোগ।

৩.৬ গীতাৰ শিক্ষণীয় বিষয়

গীতাৰ 'ভক্তিযোগ' নামৰ দ্বাদশ অধ্যায়ত কৃষ্ণ আৰু অর্জুনৰ কথোপকথনৰ জৰিয়তে ভগৱানৰ প্রকৃত ভক্তৰ স্বৰূপ বর্ণনা কৰা হৈছে। ভগৱানৰ দুটা ৰূপ - এটা 'নির্গুণ' বা গুণৰহিত, যাক উপনিষৎসমূহত 'ব্রহ্ম' বুলি আলোচনা কৰা হৈছে। দ্বিতীয়টো ৰূপ হ'ল 'সগুণ' বা গুণযুক্ত। নন্দ-যশোদাৰ পুত্র হিচাবে অৱতাৰ গ্রহণ কৰি ভগৱানে 'সাকাৰ' ৰূপ ধাৰণ কৰিছে; এয়া তেওঁৰ সগুণ ৰূপ। আমাৰ পাঠটোত পোৱা যায় যে যিসকল ভক্তই নির্গুণ ব্রহ্মৰ উপাসনা কৰে তেওঁলোকে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। আনহাতে যোগশীল হৈ ভগৱান কৃষ্ণৰ প্রতি শ্রদ্ধাশীল মনোভাৱেৰে তেওঁতেই আশ্রয় লোৱা ব্যক্তিসকল ভগৱানৰ প্রীতিৰ পাত্র হয়। তেওঁলোককেই ভগৱানে পৰম ভক্ত বুলি জ্ঞান কৰে। ভগৱানে তেওঁলোকক সংসাৰ-বন্ধনৰপৰা মুক্ত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ মহাপুৰাণ কেইখন?

.....

প্রশ্ন নং ৭ঃ মহাভাৰতৰ অধ্যায়সমূহক কি বুলি কোৱা হয়?

.....

প্রশ্ন নং ৮ঃ ভগৱানৰ কেইটা ৰূপৰ কথা গীতাত আছে আৰু তাৰ নামসমূহ উল্লেখ কৰক?

.....

প্রশ্ন নং ৯ঃ "নৰসিংহ"খন কি পুৰাণ?

.....

প্রশ্ন নং ১০ঃ "অষ্ঠাদশধান্য" বুলিলে কি বুজায়?

.....



৩.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- গীতাৰ কাব্যগত বিষয়ৰ লগত অৱগত হ'ল
- ভক্তি, যোগ, ভক্ত আদি বহুতো বিষয়ৰ জ্ঞান লাভ কৰিলে
- সংস্কৃত সাহিত্যত যে ওঠৰ (১৮) সংখাটো গুৰুত্বপূর্ণ, সেই বিষয়ে জানিলে
- ভগৱানৰ নির্গুণ আৰু সগুণ ৰূপৰ বিষয়ে জানিব পাৰিলে



৩.৮ অধিক জানিবলৈ

১) মজুমদাৰ, সুবোধচন্দ্র, *শ্রীমদ্‌ভগৱদ্‌গীতা,* দেৰ সাহিত্য কুটীৰ, কলকাতা,১৯৭৩।

২) ৰাধাকৃষ্ণণ, ড° সর্বপল্লী, *শ্রীমদ্‌ভগৱদ্‌গীতা,* মিশ্র ও ঘোষ পাৱলিচার্চ, কলকাতা (বংগাব্দ) ১৩৯০।



৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) ২০ টা শ্লোক আছে।

(খ) অনুষ্টুভ্ বা শ্লোক নামৰ ছন্দত ৰচিত।

(গ) সুবৃত্ততিলক।

(ঘ) সৌন্দর্য্য।

২ নং প্রশ্নৰ উত্তৰঃ "ভজ্" ধাতুত "ক্তিন্" প্রত্যয় যোগ হৈ ভক্তি শব্দটো নিষ্পন্ন হৈছে।

৩ নং প্রশ্নৰ উত্তৰঃ শ্রীৰূপগোস্বামী।

৪ নং প্রশ্নৰ উত্তৰঃ ৯ (ন) টা অংশ।

৫ নং প্রশ্নৰ উত্তৰঃ "যুজ্" ধাতুত "ঘঞ্" প্রত্যয় যোগ হৈ "যোগ" শব্দটো হৈছে।

৬ নং প্রশ্নৰ উত্তৰঃ ১৮ (ওঠৰ) খন।

৭ নং প্রশ্নৰ উত্তৰঃ পর্ব।

৮ নং প্রশ্নৰ উত্তৰঃ দুটা ৰূপ। ১। সগুণৰূপ আৰু ২। নির্গুণ ৰূপ।

৯ নং প্রশ্নৰ উত্তৰঃ উপপুৰাণ।

১০ নং প্রশ্নৰ উত্তৰঃ ওঠৰবিধ বিশেষ শস্যক বুজোৱা হৈছে।



৩.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ অলংকাৰ কাক বোলে?

প্রশ্ন ২ঃ ছন্দ মানে কি?

(খ) চুটি প্রশ্ন

প্রশ্ন ১ঃ 'ভক্তি', 'ভক্ত', 'যোগ' ৰ বিষয়ে একোটা চমু টোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ১ঃ 'গীতা'ৰ আধাৰত ভক্তৰ লক্ষণসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ 'গীতা'ৰ দ্বাদশ অধ্যায়ৰ কাব্যিক উপাদানৰ বিষয়ে লিখক।

*** ***** ***